BIKALI COLLEGE LIBRARY

*Total number of printed pages–8*

**14 (ASM 3036/3056/3066/3076)**

**2024**

# ASSAMESE

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

Paper : ASM–3036

## *( World Literature )*

১। *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১২×৫=৬০

(ক) জাপানী কবিতাৰ বিষাদময়তা আৰু ইংগিতধৰ্মিতাৰ আভাস দিয়া।

(খ) কালিদাসৰ মেঘদূতৰ পূৰ্বমেঘত ৰোমাণ্টিচিজমৰ জয়ধ্বনি সম্পৰ্কে বিৰৰি লিখা।

(গ) কাফকাৰ 'মেটামৰফচিচ্' গল্পত আধুনিক আধ্যাত্মিকতাৰ ৰূপায়ণ সম্পৰ্কে আলোচনা কৰা।

(ঘ) মাৰ্কেজৰ 'ওৱান হাণ্ড্ৰেড ইয়েৰচ্ অব্ চলিটিউড'ৰ উত্তৰ আধুনিকতাবাদী দৃষ্টিকোণেৰে বিচাৰ কৰা।

*Contd.*

BIKALI COLLEGE LIBRARY

(ঙ) মোপাচাঁৰ নাৰী চৰিত্ৰ অংকনৰ দক্ষতা 'দ্য নেকলেছ'ৰ অৱলম্বনত প্ৰদৰ্শন কৰা।

(চ) বেকেটৰ 'ওৱেইটিং ফৰ গড'ত সত্তাৰ উন্মোচন সম্পৰ্কে আলোচনা কৰা।

(ছ) হেমিংৱে আধুনিকতাবাদী লিখক নে? তোমাৰ অভিমত স্পষ্ট কৰা।

(জ) 'এন এনিমি অৱ্ দি পিপল'ৰ চৰিত্ৰ চিত্ৰণত ইবচেনৰ দক্ষতা প্ৰদৰ্শন কৰা।

২। চমু টোকা লিখা : *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) লৰ্কাৰ কবিতাৰ গীতিময়তা

(খ) গাম্ভীৰ্য আৰু চপলতাঃ লাভ চং অফ্ জে আলফ্ৰেড প্ৰুফ্ৰক

(গ) 'মেটামৰফচিচ্'ত নাটকীয়তা

(ঘ) 'ওৱেইটিং ফৰ গড'ত ট্ৰেজিক উপাদান

(ঙ) পৰিৱেশ চিত্ৰণঃ গ্য দ্য মোপাচাঁ

(চ) যাদুকৰী বাস্তৱতা

BIKALI COLLEGE LIBRARY

## Paper : ASM–3056

### *( Sanskrit Literature )*

১। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১২×৫=৬০

(ক) "কঃ সূৰ্যপ্ৰভবো ৱংশঃ কঃ চাল্পবিষয়া মতিঃ" — ইয়াত কবিয়ে অল্পমতি বুলি কাক সূচাইছে? উক্ত বাক্যশাৰীৰ বক্তাজনৰ কবি প্ৰতিভা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) 'ৰঘুৱংশম্' মহাকাব্যৰ প্ৰথম *দুটা* সৰ্গত কালিদাসে সূৰ্যৱংশীয় ৰজাসকলৰ গুণ-গৰিমা কিদৰে বৰ্ণনা কৰিছে উদাহৰণসহ আলোচনা কৰা।

(গ) 'অভিজ্ঞান শকুন্তলম্' নাটকৰ চতুৰ্থ অংকটো শ্ৰেষ্ঠ বুলি বিবেচিত হোৱাৰ কাৰণসমূহ ফঁহিয়াই দেখুওৱা।

(ঘ) 'মৃচ্ছকটিকম্'ত প্ৰকৰণৰ বৈশিষ্ট্যসমূহ কিদৰে ৰূপায়িত হৈছে, আলোচনা কৰা।

(ঙ) 'মৃচ্ছকটিকম্'ত তদানীন্তন ভাৰতবৰ্ষৰ ছবি কিদৰে অংকিত হৈছে সেই বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(চ) সংস্কৃত ভাষাত ৰচিত উপকথাসমূহৰ বৈশিষ্ট্য উল্লেখ কৰি এইবিধ সাহিত্যৰ ধাৰাটোৰ বিৱৰণ দিয়া।

(ছ) সংস্কৃত সাহিত্যত 'পঞ্চতন্ত্ৰ'ৰ স্থান নিৰ্ণয় কৰি এটি নিবন্ধ লিখা।

BIKALI COLLEGE LIBRARY

২। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) মহাকাব্যৰ লক্ষণ

(খ) দুষ্যন্ত

(গ) দুৰ্বাসা

(ঘ) বিদূষক

(ঙ) উপকথা সাহিত্যৰ উদ্দেশ্য

(চ) বিষ্ণু শৰ্মা

---

BIKALI COLLEGE LIBRARY

## Paper : ASM–3066

## *( Varieties of Assamese Language )*

১। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১২×৫=৬০

(ক) সমাজ ভাষাবিজ্ঞানৰ মতে কোনবোৰ কাৰকে সামাজিক ভাষিক ভিন্নতা সৃষ্টি কৰে? আলোচনা কৰা।

(খ) অসমীয়া ভাষাৰ ভৌগোলিক ভিন্নতা সম্পৰ্কে বিভিন্ন পণ্ডিতৰ মতামত বিচাৰ কৰি এটি আলচ প্ৰস্তুত কৰা।

(গ) কামৰূপী উপভাষা আৰু গোৱালপৰীয়া উপভাষাৰ ৰূপতাত্ত্বিক দিশৰ সাদৃশ্য-বৈসাদৃশ্য বিচাৰ কৰা।

(ঘ) অসমৰ প্ৰেক্ষাপটত সামাজিক ভাষিক ভিন্নতা পৰিলক্ষিত হয়নে? যদি হয় বুলি ভাবা তেন্তে উদাহৰণ দি তাৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা।

(ঙ) সম্প্ৰতি ছপা মাধ্যম আৰু বৈদ্যুতিন মাধ্যমে অসমীয়া ভাষাৰ সংবৰ্দ্ধন আৰু সম্প্ৰসাৰণত কিদৰে অৰিহণা যোগাইছে, বিশ্লেষণ কৰা।

(চ) "শব্দগত দিশত সমকালীন অসমীয়া ভাষা পূৰ্বতকৈ ভালেখিনি বেলেগ হৈ পৰিছে।"—কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰা।

(ছ) নৃগোষ্ঠীয় উপভাষা বুলিলে কি বুজা? অসমীয়া ভাষাৰ নৃগোষ্ঠীয় উপভাষা সন্দৰ্ভত এটি প্ৰবন্ধ যুগুত কৰা। ২+১০=১২

BIKALI COLLEGE LIBRARY

২। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) উপভাষাৰ সীমা নিৰ্দ্ধাৰক (Isogloss)

(খ) উপভাষাৰ অধ্যয়নত তথ্যদাতাৰ ভূমিকা

(গ) ৰাভামিজ *অথবা* মিচিং-অসমীয়া *অথবা* হাজং-অসমীয়া উপভাষাৰ ভাষাগত উপাদান

(ঘ) দ্বিপাৰ্শ্বিকতা (Diglossia)

(ঙ) কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপ

(চ) সমকালীন অসমীয়া ভাষাত ইংৰাজী ভাষাৰ প্ৰভাৱ

BIKALI COLLEGE LIBRARY

# Paper : ASM–3076

## (*Contact Languages of North-East India*)

*৯ নং প্ৰশ্ন আৰু যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা।*

১। ভাষা-সংযোগ প্ৰক্ৰিয়াক প্ৰভাৱিত কৰা কাৰকসমূহ কি কি? এই প্ৰক্ৰিয়াত প্ৰব্ৰজনৰ ভূমিকা কি আৰু কেনেধৰণৰ বিশ্লেষণ কৰা। ৪+৮=১২

২। অসমীয়া ভাষাত পৰিলক্ষিত হোৱা ভাষা-সংযোগৰ ভিন্ন ৰূপৰ বিষয়ে উদাহৰণসহ ব্যাখ্যা কৰা। ১২

৩। নগৰায়ন পৰিঘটনাই ভাষা-স্থানান্তৰ প্ৰক্ৰিয়াত কেনে ভূমিকা গ্ৰহণ কৰে? বহুভাষিক সমাজৰ ভাষা-ব্যৱহাৰ আৰু যোগাযোগ প্ৰক্ৰিয়াক নগৰ অঞ্চললৈ হোৱা প্ৰব্ৰজনে কেনেকৈ প্ৰভাৱিত কৰে আলোচনা কৰা। ৬+৬=১২

৪। ক্ৰেওল এটাৰ সৃষ্টি কেনেদৰে হ'ব পাৰে আলোচনা কৰি উত্তৰ-পূব ভাৰতত তেনেধৰণৰ ক্ৰেওল ৰূপৰ ব্যৱহাৰ আছে নেকি বিশ্লেষণ কৰা। ১২

৫। ভাষিক বৈচিত্ৰ্য ৰক্ষাৰ ক্ষেত্ৰত ভাষা-ৰক্ষণৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা। ভাষা-স্থানান্তৰ ৰোধ কৰিবলৈ আৰু ভাষা-ৰক্ষণৰ প্ৰচেষ্টা উজ্জীৱিত কৰিবলৈ ভাষা-সম্প্ৰদায়ে গ্ৰহণ কৰিব পৰা পন্থাবোৰৰ বিষয়ে অসমৰ ভাষা-সম্প্ৰদায়সমূহৰ উদাহৰণ লৈ আলোচনা কৰা। ৪+৮=১২

BIKALI COLLEGE LIBRARY

৬। নাগামিজ ভাষিক ৰূপৰ সৃষ্টি আৰু বিস্তৃতি কেনেদৰে হৈছে আলোচনা কৰাৰ লগতে ইয়াৰ স্থিতি কেনে ধৰণৰ লিখা। ১২

৭। ভাষা সংযোগে কেনেদৰে নতুন ভাষাৰ সৃষ্টি কৰে সেই বিষয়ে উত্তৰ-পূৰ্বাঞ্চলৰ *যিকোনো* বহুভাষিক ক্ষেত্ৰ এখনৰ আধাৰত আলোচনা কৰা। ১২

৮। পিজিনৰ বৈশিষ্ট্যসমূহ কি কি উল্লেখ কৰি উত্তৰ-পূব ভাৰতৰ *যিকোনো এটা* সংযোগী ভাষাৰ ক্ষেত্ৰত এই বৈশিষ্ট্যসমূহৰ বিচাৰ কৰা। ১২

৯। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) অৰুণাচলী অসমীয়া

(খ) জাৰগন (jargon)

(গ) প্ৰতিস্থাপিতমূলক বাৰ্তা-সংক্ৰমণ

(ঘ) ভাষাৰ মৃত্যু *বনাম* ভাষা-বিলুপ্তি

(ঙ) উত্তৰ-পূব ভাৰতৰ ভাষাৰ বিপন্নতা (extinction)

(চ) অধঃস্তৰীয় প্ৰভাৱ

(ছ) ঋণ-সৃষ্টি (Loan creation)

---